## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ ষষ্ঠ   বিষয় ঃ ভাষা-১ (অসমীয়া)   প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ), ২০১৯ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - লিখন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

- ⇨ ছাত্ৰ-ছাত্ৰীয়ে পাঠ ভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পাৰিব।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত স্থানত যতি বিৰাম চিহ্ন প্ৰয়োগ কৰি নিৰ্দিষ্ট দফা লিখিব পাৰিব।
- ⇨ ছাত্ৰ-ছাত্ৰীয়ে কোনো কাহিনী বা ঘটনা দেখি বা শুনি নিজে শুদ্ধকৈ লিখিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰথম সাময়িকী (জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ - ২০১৯)লৈকে সামৰা পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) সবাতোকৈ আপোন | - | পাঠ নং ১ |
| খ) বুধিয়ক বীৰবল | - | পাঠ নং ২ |
| গ) অসমীয়া ভাষাৰ বিকাশৰ কথা | - | পাঠ নং ৩ |
| ঘ) বিহু আদৰণি | - | পাঠ নং ৪ |
| ঙ) গুৰু দক্ষিণা | - | পাঠ নং ৫ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত “শিক্ষাৰ অধিকাৰ আইন ২০০৯” অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হোৱাটো নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ চাৰিওটা কৌশলৰ (শ্ৰৱণ, কথন, পঠন আৰু লিখন)ৰ বিকাশ ঘটোৱাই হৈছে ভাষা শিক্ষণৰ মূল উদ্দেশ্য। গুণোৎসৱ - ২০১৭, NAS (National Achievement Survey) আৰু গুণোৎসৱ ২০১৮ ৰ ফলাফলৰ আধাৰত দেখা গৈছে যে লিখন কৌশল আয়ত্ত্ব কৰাৰ ক্ষেত্ৰত ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী এতিয়াও পাছ পৰি আছে। বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে দীঘল শব্দ, যুক্তাক্ষৰযুক্ত শব্দ, একে উচ্চাৰণৰ বেলেগ অৰ্থ বুজোৱা বানান, যতি বিৰাম চিহ্নৰ প্ৰয়োগ, মূৰ্ধণ্য আৰু দন্ত্য বৰ্ণৰ ব্যৱহাৰ, ‘ত, ট; ঠ, থ’ ৰ ব্যৱহাৰৰ ক্ষেত্ৰত যথেষ্ট ভুল কৰা দেখা গৈছে। মাতৃভাষাৰ শিক্ষাদানত আটাইকেইটা কৌশলৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ কৌশলটো হৈছে লিখন, এই লিখন কৌশল এক জটিল মানসিক প্ৰক্ৰিয়া। লিখন কৌশলৰ শিকন ঘাটিসমূহ পূৰাবৰ বাবে সময়ে সময়ে ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক পুনৰ অনুশীলন কৰোৱাৰ প্ৰয়োজন আছে। লিখনৰ দ্বাৰাই ভাষাৰ দৃশ্যমান প্ৰতীক বা চিহ্নৰ প্ৰণালীবদ্ধ স্পষ্ট প্ৰয়োগেৰে মনৰ ভাব, অনুভূতি, চিন্তা, জীৱনৰ অভিজ্ঞতা আদি আনে বুজি পোৱাকৈ উপস্থাপন কৰিব পাৰি।

ছাত্ৰ-ছাত্ৰীৰ মাতৃভাষাৰ বিভিন্ন আখৰ, বাক্য সঠিক গঢ়ত লেখা, পাঠ্যপুথিত থকা শব্দ, বাক্যবোৰ লিখা, লিখোঁতে ব্যৱহাৰ হোৱা যতি বিৰাম চিহ্ন, যেনে দাড়ি (।), কমা (,), উৰ্দ্ধকমা (“ ”) ভাববোধক (!) চিন আদিৰ ব্যৱহাৰ শিকাৰ ওপৰত গুৰুত্ব দিয়া উচিত।

এই সমল সমগ্ৰীটোত প্ৰথম সাময়িকীৰ পাঠ “সবাতোকৈ আপোন”(পাঠ নং ১), ‘বুধিয়ক বীৰবল’ (পাঠ নং ২), ‘অসমীয়া ভাষাৰ বিকাশৰ কথা’ (পাঠ নং ৩), ‘বিহু আদৰণি’ (পাঠ নং ৪) আৰু গুৰু দক্ষিণা (পাঠ নং ৫) অন্তৰ্ভুক্ত কৰা হৈছে। উল্লিখিত পাঠ কেইটাত পাঠ ভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পৰা, উপযুক্ত স্থানত যতি বিৰাম চিহ্নৰ ব্যৱহাৰ, নতুন শব্দ গঠন কৰি নিজাববীয়াকৈ বাক্য, কাহিনী, ঘটনা আদি লিখিব পৰা অৰ্হতাসমূহ সন্নিৱিষ্ট কৰা হৈছে।

এই সমল সামগ্ৰীটোত সন্নিৱিষ্ট কৰা ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ পৰিকল্পনাসমূহ শিক্ষক-শিক্ষয়িত্ৰীসকলে শ্ৰেণীকোঠাত ব্যৱহাৰ কৰি সুফল লাভ কৰাৰ আশা কৰা হৈছে।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

- ⇨ বানান শুদ্ধভাৱে আয়ত্ত কৰি ভাষা শিকিবলৈ হ'লে লিখন-কৌশলৰ জ্ঞান অতি প্ৰয়োজন। কোনো এটি বিষয়ৰ পাঠ ভালদৰে বোধগম্য হ'লে ছাত্ৰ-ছাত্ৰীয়ে পাঠ ভিত্তিক প্ৰশ্নৰ উত্তৰ স্পষ্ট ৰূপত লিখি প্ৰকাশ কৰাৰ দক্ষতা আহৰণ কৰিব।
- ⇨ উপযুক্ত লিখন অনুশীলনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে যতি, বিৰাম চিহ্ন আদিৰ শুদ্ধ প্ৰয়োগেৰে নিৰ্দিষ্ট দফা লিখিব পাৰিব।
- ⇨ সৃষ্টিশীল লিখনিৰ জৰিয়তে নিজৰ ভাব-অনুভূতি, যুক্তি আৰু সৃজনীশক্তিৰ পৰিচয় দিব পাৰিব।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি কি শিকিব পাৰিম—**

- ⇨ এই সমল সামগ্ৰী অধ্যয়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশলৰ বিকাশৰ বাবে নতুন ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ পৰিকল্পনা কৰিব পাৰিম।
- ⇨ অভ্যাস, অনুশীলনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ বানান, যতি, বিৰাম চিহ্নৰ ব্যৱহাৰ আদিত থকা দুৰ্বলতাসমূহ দূৰ কৰিব পাৰিম।
- ⇨ ছাত্ৰ-ছাত্ৰীক শ্ৰেণীকোঠাত পৰ্যাপ্ত পৰিমাণে লিখনৰ সুযোগ প্ৰদান কৰি তেওঁলোকৰ লিখন কৌশলৰ কাৰ্যৰ মূল্যায়ন কৰিব পাৰিম।
- ⇨ সৃষ্টিশীল লিখনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ নিজৰ ভাব, অনুভূতি চিন্তা আদি প্ৰকাশ কৰাৰ সুযোগৰ বাবে পৰিৱেশ সৃষ্টি কৰিব পাৰিম।
- ⇨ ছাত্ৰ-ছাত্ৰীৰ লিখন কৌশল বিকাশৰ অবিৰত মূল্যায়নৰ উপৰি আমি শিক্ষক-শিক্ষয়িত্ৰীসকলে আত্ম মূল্যায়নৰো সুবিধা পাম।

**লিখন কৌশল বিকাশৰ ব্যৱস্থাৱলী ঃ**

- ⇨ এই সমল সমাগ্ৰী অধ্যয়ন কৰি আমি ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ লিখনৰ শিকন ঘাটি পূৰণৰ বাবে শ্ৰেণীকোঠাতে যাতে ওপৰঞ্চি নতুন কৌশল, ক্ৰিয়া-কলাপ কৰিব পৰা যায়, সেই বিষয়ে অবগত হ'ব পাৰিম।
- ⇨ পাঠ্যপুথিত থকা ক্ৰিয়া-কলাপৰ উপৰি শিক্ষক-শিক্ষয়িত্ৰীৰ সহায় হোৱাকৈ অতিৰিক্ত ক্ৰিয়া-কলাপ সন্নিৱিষ্ট কৰা হৈছে। এই অতিৰিক্ত ক্ৰিয়া-কলাপে শিক্ষণ-শিকন প্ৰক্ৰিয়াক অধিক ফলপ্ৰসূ কৰি তোলাত সহায় কৰিব।
- ⇨ পাঠ পঢ়ি বুজি পাঠ ভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পৰা, শব্দৰ অৰ্থ বুজি প্ৰয়োজনত ব্যৱহাৰ কৰিব পৰা, সৃষ্টিশীল লিখনিৰ বিষয়ে থকা শিকন ঘাটি পূৰ কৰিবলৈ পৰিকল্পনা আৰু ক্ৰিয়া-কলাপ কৰিব পৰা যাব।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপে উপস্থাপন কৰা হ'ল —**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ক) পাঠ পঢ়ি বুজি পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পাৰিব। | ক) পাঠ্যপুথি<br>খ) নিৰ্দিষ্ট পাঠৰ চিত্ৰসহ দফা লিখা কাৰ্ড | দলগত ক্ৰিয়া-কলাপ | উত্তৰ লিখা —<br>ক) এই বিশাল পৃথিৱীত কবিয়ে কাক সবাতোকৈ আপোন বুলি কৈছে লিখা।<br>খ) সম্ৰাট আকবৰৰ অৰণ্যত চিকাৰ কৰাৰ হেঁপাহ কেনেদৰে নোহোৱা হ'ল বুজাই লিখা।<br>গ) অসমীয়া ভাষাৰ উৎপত্তিৰ বিষয়ে চমুকৈ লিখা। | **অবিৰত আৰু সামগ্ৰিক মূল্যায়ন** |

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| উপযুক্ত স্থানত যতি বিৰাম চিহ্ন প্ৰয়োগ কৰি বুজি নিৰ্দিষ্ট দফা লিখিব পাৰিব। | ক) নিৰ্দিষ্ট দফা — পাঠ্যপুথি | দলগত ক্ৰিয়া-কলাপ | ক) তলৰ দফাটোত যতি বিৰাম চিহ্নৰ শুদ্ধ প্ৰয়োগ কৰা- সেই কাৰণেই গুৰুদেৱ মই কি শক্তিৰে কোনেও নেদেখা ঠাই বিচাৰি উলিয়াম আনে নেদেখিলেও ঈশ্বৰে নিশ্চয় দেখিব লোকৰ ধন সোণ চুৰ কৰা ডকা হকা দি আনিলে সেই কথা আনে নেজানিলেও ঈশ্বৰে জানিব তেওঁ মোৰ অন্তৰতে বহি মই কৰা সকলো ভাল-বেয়া কাম চাই আছে মানুহক ঠগিব পাৰিলেও ঈশ্বৰৰ চকুত কেনেকৈ ধূলি দিম মই এনে অসৎ উপায়েৰে গুৰুদক্ষিণা গোটাব নোৱাৰিম মোক আন সজ বাট দেখুৱাই দিয়ক গুৰুদেউ। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| নিজে দেখি বা শুনি কোনো কাহিনী বা ঘটনা শুদ্ধকৈ লিখিব পাৰিব। | গ) পাঠ্যপুথি বহিৰ্ভূত সামগ্ৰী (আৰ্হি কাৰ্ড) কোনো ঘটনা কাহিনী আদিৰ চিত্ৰ সহকাৰে থকা দফাৰ আৰ্হি কাৰ্ড) | দলগত ক্ৰিয়া-কলাপ | ক) 'গুৰুদক্ষিণা' পাঠটিৰ মূলভাৱ তোমাৰ নিজৰ ভাষাত বৰ্ণনা কৰা।<br>খ) তুমি বাস কৰা অঞ্চলত ব'হাগ বিহু কেনেদৰে উদ্‌যাপন কৰা হয় বৰ্ণনা কৰা।<br>গ) তুমি ভাল পোৱা এটি লোকগীতৰ মূলভাৱ তোমাৰ ভাষাত বৰ্ণনা কৰা। | |

**ক্ষেত্ৰ অধ্যয়ন ঃ** (Case Study)

পাঠ পঢ়ি বুজি উপযুক্ত যতি বিৰাম চিহ্নৰ প্ৰয়োগেৰে পাঠ ভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পৰাৰ বাবে লোৱা ব্যৱস্থাৱলী ঃ-

বিমলা দেৱী বাইদেউ বঙাইগাঁও জিলাৰ এখন উচ্চ প্ৰাথমিক বিদ্যালয়ৰ অসমীয়া বিষয় পঢ়োৱা শিক্ষয়িত্ৰী। বিমলা বাইদেৱে অসমীয়া বিষয়টোৰ ষষ্ঠ শ্ৰেণীত পাঠদান কৰা সময়ত মন কৰিছিল যে ছাত্ৰ-ছাত্ৰীসকলৰ বানান, পাঠভিত্তিক প্ৰশ্নৰ সঠিক উত্তৰ লিখা, যতি বিৰাম চিহ্নৰ সঠিক প্ৰয়োগেৰে সৃষ্টিমূলক লিখনি লিখা আদিৰ ক্ষেত্ৰত বহু শিকন ঘাটি আছে। এই ঘাটিসমূহ আঁতৰাবৰ বাবে ষষ্ঠ শ্ৰেণী অংকুৰণৰ পাঠ নং ২ ৰ (বুধিয়ক বীৰবল) (পৃঃ ৬-১২) ৰ আলমত নিদানমূলক ব্যৱস্থা পৰিকল্পনা কৰি শিক্ষণ-শিকন প্ৰক্ৰিয়াত প্ৰয়োগ কৰিলে।

প্ৰস্তুতি ঃ

বিমলা বাইদেৱে পাঠ্যপুথিৰ ২ নং পাঠটিত থকা 'বুধিয়ক বীৰবল' (পৃঃ ৬-১২) ৰ পৰা ৬ টা সৰু সৰু দফা ছখন কাৰ্ডত বিভিন্ন ৰঙেৰে লিখি ল'লে। বাক্যবোৰ কাৰ্ডত লিখোঁতে বাক্যত যতি বিৰাম চিহ্ন সমূহ স্পষ্ট ৰূপত লিখাৰ উপৰি বাক্যবোৰৰ অৰ্থ প্ৰকাশ পোৱাকৈ ছবি শব্দ আৰু বাক্যৰ কাষতে আঁকি দিলে। তদুপৰি ৬ খন পুৰণি কেলেণ্ডাৰৰ ওলোটা পিঠিত এই দফাসমূহৰ স্পষ্ট অৰ্থ প্ৰকাশ পোৱাকৈ ছবিসহ লিখি প্ৰস্তুত কৰি ল'লে। এইদৰে বাইদেৱে শ্ৰেণীকোঠাত ইতিমধ্যে ভাগ কৰি থোৱা ছটা দলৰ প্ৰতিটো দলকে প্ৰস্তুত কৰি থোৱা কাৰ্ডকেইখন এখন এখনকৈ ভগাই দিলে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলক দফাবোৰ ভালদৰে পঢ়ি দলগতভাৱে আলোচনা কৰিবলৈ আৰু শুদ্ধভাৱে দফাবোৰৰ অৰ্থ আৰু ভাব বুজাই লিখাৰ বাবে উৎসাহ প্ৰদান কৰিলে।

সেইদৰে লিখনিসমূহ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সলনা সলনি কৰি পঢ়ি চাবলৈ দিয়াৰ উপৰি ভুলবোৰ শুধৰাই দিবলৈ উৎসাহিত কৰিলে।

বিমলা বাইদেৱে আগতে প্ৰস্তুত কৰি থোৱা পাঠৰ দফাৰ ছবিসহ অৰ্থ প্ৰকাশ হোৱাকৈ মূলভাৱ লিখি থোৱা মূলভাৱৰ কেলেণ্ডাৰ খন শ্ৰেণীকোঠাৰ উপযুক্ত স্থানত আৰি দি ছাত্ৰ-ছাত্ৰীসকলক ব্যক্তিগতভাৱে ভুল হোৱাৰ কাৰণবোৰ বুজাই দিলে। ছাত্ৰ-ছাত্ৰীসকলেও নিজৰ নিজৰ ভুলবোৰ শুধৰাবলৈ চেষ্টা কৰিলে।

এই ক্ৰিয়া-কলাপত ছাত্ৰ-ছাত্ৰীসকলে আনন্দ মনেৰে অভিৰোচিত হৈ শিকন কাৰ্য সম্পাদন কৰিলে। উক্ত ক্ৰিয়া-কলাপৰ সময়ত বিমলা বাইদেৱে শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰীগৰাকীৰ বাবে বিশেষ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছিল। তদুপৰি এই ক্ৰিয়া-কলাপটোত ছাত্ৰ-ছাত্ৰীসকল সম্পূৰ্ণৰূপে জড়িত আৰু ব্যস্ত হৈ ইজনে সিজনক সহায়-সহযোগ কৰিছিল। একেদৰে শিক্ষক-শিক্ষয়িত্ৰীসকলে পাঠ্যপুথিৰ আন পাঠবোৰৰ পৰাও দফা নিৰ্বাচিত কৰি লিখন কাৰ্যৰ বাবে উৎসাহিত কৰাব পাৰে।

**চিন্তা কৰি চাওঁ আহক —**

- ➡ লিখন কাৰ্যত থকা জটিলতা দূৰ কৰিবলৈ বিমলা বাইদেৱে কি ব্যৱস্থা গ্ৰহণ কৰিছিল?
- ➡ ছাত্ৰ-ছাত্ৰীসকলক ক্ৰিয়া-কলাপত সমানে জড়িত কৰাবলৈ বিমলা বাইদেৱে কি পদক্ষেপ লৈছিল?
- ➡ বাইদেৱে কৰা ক্ৰিয়া-কলাপৰ দৰে আমিও শ্ৰেণীকোঠাত উদ্ভাৱনীমূলক নতুন ক্ৰিয়া-কলাপ কৰিব পাৰিমনে?

**ক্ৰিয়া-কলাপ - ১**

ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে কোনো বিশেষ ঘটনা, উৎসৱ, অনুষ্ঠান আদিৰ বিৱৰণ শুদ্ধৰূপত লিখিব নোৱাৰে। ছাত্ৰ-ছাত্ৰীসকলক তলত উল্লেখ কৰা বিষয়ে বৰ্ণনামূলকভাৱে যতি বিৰাম চিহ্নৰ শুদ্ধ প্ৰয়োগেৰে লিখিবলৈ দিব পাৰি। যেনে - নিজৰ অঞ্চলত ঘটা কোনো বিশেষ ঘটনা, গছ-গছনি আদিৰ বিষয়ে, কথিত আৰু লিখিত ভাষাৰ উল্লেখ, নিজৰ দেশৰ বাবে কৰিবলগীয়া কৰ্মৰাজি আদিৰ বিষয়ে প্ৰয়োজন সাপেক্ষে ছবি সংগ্ৰহ কৰি লিখিবলৈ উৎসাহিত কৰিব পাৰি।

**প্ৰস্তুতি ঃ** ছখন কাৰ্ড প্ৰস্তুত কৰি তাৰ শিৰোনামবোৰ এনেদৰে দিব পাৰি—

ক) তোমাৰ অঞ্চলটোত হৈ যোৱা ঘটনা এটিৰ বিৱৰণ বৰ্ণনা কৰা।
খ) তুমি ভালপোৱা সাধুকথা এটি লিখা।
গ) তুমি অধ্যয়ন কৰা বিদ্যালয়খনৰ বিষয়ে বিতংভাৱে বৰ্ণনা কৰা।
ঘ) তুমি বাস কৰা অঞ্চলত উদ্‌যাপন কৰা এটি লোক উৎসৱৰ বিষয়ে লিখা।
ঙ) তুমি জনা এগৰাকী লোকশিল্পীৰ বিষয়ে লিখা।
চ) ওপজা ঠাইক কেন্দ্ৰ কৰি কবিতাৰ স্তৱক এটি লিখা।

শিক্ষক-শিক্ষয়িত্ৰীয়ে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলক প্ৰথমতে দলত ভাগ কৰি আগতেই প্ৰস্তুত কৰি থোৱা কাৰ্ডসমূহ বিলাই দিব আৰু ছাত্ৰ-ছাত্ৰীসকলক দলীয়ভাৱে আলোচনা কৰি উত্তৰবোৰ লিখিবলৈ উৎসাহিত কৰিব। ছাত্ৰ-ছাত্ৰীৰ ভুলবোৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে শুধৰাই দি বুজাই দিব। তদুপৰি ছাত্ৰ-ছাত্ৰীৰ মনত উদয় হোৱা প্ৰশ্নবোৰ আলোচনা কৰিবলৈ উৎসাহিত কৰিব। এই ক্ৰিয়া-কলাপ কৰোঁতে শ্ৰেণীত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীক সচেতনভাৱে গুৰুত্ব দিব লাগিব।

তদুপৰি শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ অভিজ্ঞতা লিখিবলৈ উৎসাহিত কৰিব পাৰিব। সেইদৰে নিজে বাস কৰা অঞ্চলৰ উৎসৱ, অনুষ্ঠান, ঘটনা আদি পৰ্যৱেক্ষণ কৰি সেই বিষয়ে সৃষ্টিশীল ৰচনা, প্ৰৱন্ধ আদি লিখিবলৈ উৎসাহিত কৰিব পাৰি।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰিব পাৰি —

- ➯ ‘সবাতোকৈ আপোন’ কবিতাটোত উল্লেখ কৰা কবিৰ আপোন সকলৰ বিষয়ে নিজৰ ভাষাত বৰ্ণনা কৰা।
- ➯ সম্ৰাট আকবৰে চিকাৰ কৰা কাৰ্যক বীৰবলে কিয় বেয়া পাইছিল?
- ➯ তলত উল্লেখ কৰা শব্দকেইটাৰে বাক্য লিখা।
- ➯ তোমাৰ বিদ্যালয়ত অনুষ্ঠিত হোৱা এটি অনুষ্ঠানৰ বিষয়ে বৰ্ণনা কৰা।
- ➯ তুমি ভাল পোৱা এটি লোক-উৎসৱৰ নাম লিখা।
- ➯ ‘গুৰু দক্ষিণা’ পাঠটিত কোনগৰাকী শিষ্যৰ কৰ্মত গুৰু বেদকণ্ঠ আনন্দিত হৈছিল লিখা।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

১) ক) এই বিশাল পৃথিৱীত কবিয়ে কাক কাক সবাতোকৈ আপোন বুলি কৈছে লিখা।

খ) সম্ৰাট আকবৰৰ অৰণ্যত চিকাৰ কৰাৰ হেঁপাহ কেনেদৰে নোহোৱা হ’ল বুজাই লিখা।

গ) অসমীয়া ভাষাৰ উৎপত্তিৰ বিষয়ে চমুকৈ লিখা।

২) তলৰ দফাটোত যতি বিৰাম চিহ্নৰ শুদ্ধ প্ৰয়োগ কৰা —

সেই কাৰণেই গুৰুদেৱ মই কি শক্তিৰে কোনেও নেদেখা ঠাই বিচাৰি উলিয়াম আনে নেদেখিলেও ঈশ্বৰে নিশ্চয় দেখিব লোকৰ ধন-সোণ চুৰ কৰি ডকা-হকা দি আনিলে সেই কথা আনে নেজানিলেও ঈশ্বৰে জানিব তেওঁ মোৰ অন্তৰতে বহি মই কৰা সকলো ভাল বেয়া কাম চাই আছে মানুহক ঠগিব পাৰিলেও ঈশ্বৰৰ চকুত কেনেকৈ ধূলি দিম মই এনে অসৎ উপায়েৰে গুৰু দক্ষিণা গোটাব নোৱাৰোঁ মোক আন সজ বাট দেখুৱাই দিয়ক গুৰুদেউ।

৩) ক) ‘গুৰু দক্ষিণা’ পাঠটিৰ মূলভাৱ বা সাৰাংশ তোমাৰ নিজৰ ভাষাত বৰ্ণনা কৰা।

খ) তুমি বাস কৰা অঞ্চলত ব’হাগ বিহু কেনেদৰে উদ্‌যাপন কৰা হয় বৰ্ণনা কৰা।

গ) তুমি ভালপোৱা এটি লোকগীতৰ মূলভাৱ তোমাৰ ভাষাত বৰ্ণনা কৰা।

**প্ৰসঙ্গ পুথি ঃ**


- ➯ পাঠ্যপুথি — অংকুৰণ (ষষ্ঠ শ্ৰেণী)
- ➯ অসমীয়া ভাষা শিক্ষণৰ ৰূপৰেখা ঃ চক্ৰেশ্বৰ দাস।
- ➯ গুণোৎসৱ আৰু নাচ (NAS-2017) ৰ ফলাফল।
- ➯ চন্দ্ৰকান্ত অভিধান।
- ➯ হেমকোষ অভিধান।


******